# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-April-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

————————————————————

### HEADLINES
::::::::::::::::::

১।	বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰ অভিযান তুংগত।

২।	কংগ্ৰেছ নেতা ৰাহুল গান্ধী, জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান।

৩।	নিৰ্বাচনত ব্যৱহাৰ হ'বলগীয়া ই ভি এম সমূহত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্টকৰণৰ কাম সম্পূৰ্ণ।

**আৰু**

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক জয়ৰ বাবে ১৫৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ দুদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

কংগ্ৰেছৰ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী  নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে আজি পুনৰ অসমলৈ আহিছে। শ্ৰীগান্ধীয়ে  গোলাঘাট জিলাত এখন নিৰ্বাচনী সভাত অংশ লৈ জনসাধাৰণক গোলাঘাট, খুমটাই, দেৰগাঁও, সৰুপথাৰ আৰু বোকাখাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীসকলক ভোটদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে তেওঁ বিশ্বনাথৰ চি টি চি খেলপথাৰত আয়োজিত জনসমাবেশত অংশ লৈ বিজেপিৰ তীব্ৰ সমালোচনা কৰে। তেওঁ শংকৰদেৱ, জুবিন গাৰ্গে একতাৰ দোলেৰে বান্ধি ৰখা অসমীয়া সমাজখনত শাসকীয় দলে বিভেদ সৃষ্টি কৰিব বিচাৰিছে বুলি অভিযোগ তোলে। শ্ৰী গান্ধীয়ে অসমত কংগ্ৰেছ চৰকাৰ শাসনলৈ আহিলে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মৰ্যাদা প্ৰদানৰ উপৰি ১০ লাখ লোকক ভূমি পট্টা প্ৰদান তথা চাহ শ্ৰমিকক ৪৫০ টকাকৈ মজুৰি প্ৰদান কৰা হ'ব বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে।

(বাইট ঃ গান্ধী)

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি বোকাখাটত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিগত সময়ছোৱাত অতুল বৰাৰ মন্ত্ৰীত্বকালত অসমৰ কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰে। তেওঁ লগতে এইবাৰৰ নিৰ্বাচনত অতুল বৰা অভিলেখ সংখ্যক ভোটত জয়ী হ'ব বুলি দাবী কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক প্ৰচাৰ অভিযানত সংগ দিয়ে।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম গোৱালপাৰা, দুধনৈ, পলাশবাৰী আৰু বকো-ছয়গাঁৱত প্ৰচাৰ চলাইছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে আজি চৰাইদেউ জিলাৰ সোণাৰী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ হৈ প্ৰচাৰ সভাত অংশ লয়। চাহ বাগিচা অঞ্চলত বিজেপিৰ ভেঁটি শক্তিশালী কৰাৰ লক্ষ্যৰে তেওঁ বৰহাট চাহ বাগিচাত নিৰ্বাচনী প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ধেমাজিত বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ডাঃ ৰণোজ পেগুৰ হৈ প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নলবাৰী জিলাৰ টিহুত বিজেপি প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীৰ হৈয়ো নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে পুনৰ অসমলৈ আহিব। তেওঁ মৰাণত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে ভৱানীপুৰ, সৰভোগ আৰু লামডিঙতো প্ৰচাৰ চলাব। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ আৰু পৰহিলৈ বৰাক উপত্যাকাত নিৰ্বাচনী প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে কাইলৈ অসমলৈ আহিব। পৰহিলৈ তেওঁ এখন সংবাদমেলত ভাগ ল'ব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও কাইলৈ ৰাজ্যখনত প্ৰচাৰ চলাব।

ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োই আজি চিৰাঙত দলীয় প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী আৰু কমল সিং নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মণিপুৰৰ মুখ্যমন্ত্ৰী ৱাই খেমছান্দ সিঙে কাছাৰ জিলাৰ উধাৰবন্দ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী ৰাজদ্বীপ গোৱালাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ৰংপুৰত আজি এখন জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ নেতৃত্বত দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো উন্নয়নৰ ধাৰা অব্যাহত আছে বুলি উল্লেখ কৰে। লোকসভাৰ সাংসদ তথা অভিনেতা মনোজ তিৱাৰীয়ে কাছাৰৰ ধলাই বিজেপি প্ৰাৰ্থী অমিয়কান্তি দাসৰ সমৰ্থনত দাৰবি চাহ বাগিচাত নিৰ্বাচনী সভাত ভাগ লয়।

ooooo

শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰৰ মাজত ৰাজ্যৰ বিভিন্ন স্থানত ব্যাপক নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনা সংঘটিত হৈছে। নিৰ্বাচন আয়োগৰ ওচৰত এইপৰ্যন্ত ১৫০টা নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ অভিযোগ পঞ্জীয়ন হৈছে। ইয়াৰ ভিতৰত বৰপেটা জিলাৰ সৰ্বাধিক ৫০টা নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনা সংঘটিত হৈছে। এইক্ষেত্ৰত নগাঁও দ্বিতীয় স্থানত আছে। জিলাখনত ৪২টা অভিযোগ পঞ্জীয়ন হৈছে। বঙাইগাঁও জিলাত ৩৩টা নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনা সংঘটিত হৈছে। অসম আৰক্ষীয়ে ভুৱা বাতৰি, মান হানিকাৰক সমল আৰু আইন শৃংখলাজনিত পৰিস্থিতি সৃষ্টি কৰিব পৰা প'ষ্টসমূহ ৰোধ কৰাৰ উদ্দেশ্যে ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহত তীক্ষ্ণ নজৰ ৰাখিছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ বিশেষ কোষে অভিযোগ লাভ কৰা বা নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰি সামাজিক মাধ্যমৰ পৰা আপত্তিজনক ১০০ শতাংশ প'ষ্ট আঁতৰোৱাটো নিশ্চিত কৰিছে। ২০ মাৰ্চত কাৰ্যক্ষম হোৱা কোষটোৱে বিভিন্ন সামাজিক মঞ্চৰ ২৭টা প্ৰফাইল আৰু

হেণ্ডেল সামৰি ১৭টা অভিযোগ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ২৯ মাৰ্চলৈ এখন এজাহাৰ পঞ্জীয়ন কৰাৰ লগতে মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে।

ooooo

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে জিলা প্ৰশাসনসমূহ সুকলমে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু হৈ উঠিছে। নিৰ্বাচনত ব্যৱহাৰ হ'বলগীয়া ই ভি এম সমূহত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্টকৰণ কাৰ্য ৰাজ্যৰ ১২৬ টাা বিধানসভা সমষ্টিত সফলতাৰে কৰা হৈছে। নিৰ্বাচনৰ আয়োগৰ নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ স্বচ্ছতাৰে প্ৰাৰ্থী অথবা তেওঁলোকৰ অনুমতি প্ৰাপ্ত প্ৰতিনিধিৰ উপস্থিতিত এই প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে। মুঠ ৪১ হাজাৰ ৩২০ টা বেলট ইউনিট, ৪৩ হাজাৰ ৯৭৫ টা কণ্ট্ৰল ইউনিট আৰু ৪৩ হাজাৰ ৯৯৭ টা ভি ভি পেট ইউনিটত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্ট কৰা হৈছে। ৰাজ্যৰ ৩১ হাজাৰ ৪৯০ টা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰয়োজন সাপেক্ষে ব্যৱহাৰৰ বাবে ই ভি এম সংৰক্ষণ কৰা হৈছে। দক্ষিণ শালমাৰা মানকাচ ৰ জিলাৰ একমাত্ৰ বিধানসভা সমষ্টিৰ মানকাচৰৰ ৪০২ টা ভোটগ্ৰহণ কেন্দ্ৰত নিয়াৰিকৈ ভোটগ্ৰহণ সম্পন্ন কৰাৰ বাবে ৪৮৮ টা ভোটগ্ৰহণকাৰী দলক প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰ পূৰ্বে পলিং আৰু প্ৰিজাইডিং বিষয়াসকলকো প্ৰশিক্ষণ দিয়া হৈছিল। কাৰ্বি আংলং জিলাত নিৰ্বাচনী প্ৰক্ৰিয়াত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে আজি ডাক বেলটযোগে ভোটদান কৰে। জিলাখনৰ নিৰ্বাচন বিষয়া তথা জিলা আয়ুক্ত আৰণ্যক শইকীয়াই ডিফুত ডাক বেলটযোগে ভোটদান কৰে। নিৰ্বাচনী জিলাখনত নিয়োজিত কৰ্মচাৰীসকলে কাইলৈ পৰ্যন্ত ডাক বেলটযোগে ভোটদান কৰিব পাৰিব।

ডিব্ৰুগড় জিলাত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি সাধাৰণ পৰ্যবেক্ষক টি এন ভেংকতেশে চাবুৱা-লাহোৱাল, ডিব্ৰুগড় আৰু খোৱাং বিধানসভা সমষ্টিত ৰিটাৰ্ণিং বিষয়া, সহকাৰী ৰিটাৰ্ণিং বিষয়া, জ'নেল আৰু চেক্টৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰসমূহত প্ৰয়োজনীয় সুবিধা প্ৰদান সন্দৰ্ভত আলোচনা কৰা হয়।

বজালী জিলাত প্ৰশাসনে প্ৰতিগৰাকী ভোটদাতাক গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুবিধা প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে ৮৫ বছৰ উৰ্ধৰ আৰু বিশেষভাৱে সক্ষম লোকসকলৰ বাবে বাসগৃহৰ পৰা ভোটদানৰ সুবিধা দিয়া হৈছে।

ooooo

অসমৰ ফুটবল জগতৰ কিংবদন্তিস্বৰূপ মেন অব গল্ডেন বুট নামেৰে পৰিচিত প্ৰসিদ্ধ ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমাৰ শেষকৃত্য আজি গুৱাহাটীৰ মালিগাঁৱৰ আদিংগিৰি পাহাৰত সম্পন্ন হয়। ইয়াৰ আগেয়ে কাহিলীপাৰাৰ দশম আৰক্ষী চাউনীত চাংমাক সন্মান জনোৱা হয়। এই কাৰ্যসূচীত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং আৰু মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথী মহন্তকে ধৰি ভালেসংখ্যক আৰক্ষী বিষয়া উপস্থিত থাকে। কাৰ্যসূচীত অংশ লৈ আৰক্ষী সঞ্চালক প্ৰধান শ্ৰীসিঙে এইদৰে কয়।

বাইট-সিং

চাংমাৰ নশ্বৰ দেহ গুৱাহাটী টাউন ক্লাৱলৈ লৈ গৈ ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত শেষকৃত্য সম্পন্ন হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কিম্বদন্তি ফুটবলাৰগৰাকীৰ কালি পুৱা গুৱাহাটীৰ কাহিলীপাৰাৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। অসম পুলিচ ফুটবল

দলক ১৯৭২ৰ পৰা ১৯৮২ চনলৈ অধিনায়ক হিচাপে নেতৃত্ব দিয়া গিলবাৰ্ট চাংমাই এই সময়ছোৱাত মুঠ ৭ বাৰ সন্তোষ ট্ৰফী ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযাগিতাত অসমক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ লগতে অসম পুলিচৰ হৈ বৰদলৈ ট্ৰফী, এ টি পি এ শ্বিল্ড, কেপ্তেইন এন এম গুপ্তা ট্ৰফীৰ খিতাপ জয় কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। গিলবাৰ্টচন চাংমাই ১৯৭৫ চনত ইণ্ডোনেচিয়া আৰু মালয়েচিয়াত প্ৰদৰ্শনীমূলক খেলত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। ফুটবলৰ মাজেৰে অসম আৰক্ষীক উচ্চ স্থানলৈ নিয়া চাংমা এসময়ত মেন অব গল্ডেন বুট নামেৰে পৰিচিত হয়। ১৯৮৫ চনত তেওঁ যোৰহাটত নাগালেণ্ড আৰক্ষীৰ বিৰুদ্ধে জীৱনৰ অন্তিমখন খেলত অংশ লৈছিল। অসম আৰক্ষীৰ পৰা দ্বিতীয় অধিনায়ক হিচাপে অৱসৰ গ্ৰহণ কৰা চাংমাক ২০২২ চনত ৰাজ্য চৰকাৰে অসম সৌৰভ বটাঁ প্ৰদান কৰে। তেওঁ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্যকে ধৰি বহুজনে শোক প্ৰকাশ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক জয়ৰ বাবে ১৫৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৫৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ হেনৰিক ক্লাছেনে সৰ্বাধিক ৬২ আৰু নীতিশ কুমাৰ ৰেড্ডীয়ে ৫৬ ৰান কৰে। লক্ষ্ণৌৰ হৈ মহম্মদ ছামী, আবেশ খান আৰু প্ৰিন্স যাদৱে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৮ অভাৰত ১ টা উইকেট হেৰুৱাই ৬৬ ৰান সংগ্ৰহ কৰিছে।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত